# অৰ্থালংকাৰ

**অৰ্থালংকাৰৰ শ্ৰেণীবিভাগ ঃ** আলংকাৰিকসকলে অৰ্থালংকাৰৰ শ্ৰেণীবিভাগ কৰোঁতে একেটা বাটেদি যোৱা নাই। ৰুদ্ৰট, বিদ্যাধৰ, ৰাজানক আদিয়ে বিভিন্ন প্ৰকাৰে অলংকাৰৰ শ্ৰেণী নিৰ্ণয় কৰিছে। সেইবিলাকৰ তন্ন তন্ন বিচাৰ অলংকাৰবোধৰ বিশেষ উপকাৰক হব বুলি নাভাবি সেই বিষয়ৰ আলোচনাৰ পৰা বিৰত থাকিলোঁ। তথাপি স্থূলভাৱে অৰ্থালংকাৰক এই কেইটা ভাগত ভগাব পাৰি ঃ (১) সাদৃশ্যগৰ্ভ, (২) বিৰোধগৰ্ভ, (৩) শৃংখলামূলক, (৪) ন্যায়মূলক আৰু (৫) গূঢ়প্ৰতীতিমূলক। এই শ্ৰেণীকেইটাৰ মাজত সুমুৱাব নোৱাৰা অলংকাৰো দুই চাৰিটা আছে তাক (৬) অন্যান্য বুলি থৈ দিব পাৰি।

**সাদৃশ-গৰ্ভ অলংকাৰ ঃ** কাব্যমীমাংসাকাৰ ৰাজশেখৰৰ মতেৰে উপমা অৰ্থাৎ সাদৃশ্য অলংকাৰশিৰোৰত্ন, কাব্যসম্পদৰ সৰ্বস্ব আৰু কবিকৰ্মবিস্তাৰৰ জননীস্বৰূপা।[১] ইয়াত উপমা নামৰ বিশেষ অলংকাৰটোকে ৰাজশেখৰে ধৰা নাই। উপমা মানে সাদৃশ্যমূলক অলংকাৰসমূহৰ প্ৰাণস্বৰূপ মনোহৰ ৰিজনিমাত্ৰকৰ কথাকে কোৱা হৈছে। প্ৰকৃতপক্ষে সৰহভাগ অলংকাৰৰ মূলতে আছে গুণ, ৰূপ, ক্ৰিয়া আদিৰ সাদৃশ্যৰ চমৎকাৰিত্ব।

ক্ৰান্তদৰ্শী কবিৰ সৌন্দৰ্যসমাহিত অন্তৰত সৌন্দৰ্য এটা অকলশৰীয়া বা বিচ্ছিন্ন বোধ হৈ প্ৰতিভাত নহয়। কবিৰ দৃষ্টিত সৌন্দৰ্যই ধৰা দিয়ে একস্থৰূপে। সৌন্দৰ্য বৰ্ণাওঁতে কালিদাসে কৈছে যে, উমাক সৃষ্টি কৰাৰ মূলতে বিশ্বস্ৰষ্টাৰ উদ্দেশ্য আছিল 'একস্থসৌন্দৰ্যদিদৃক্ষা'— সমস্ত সৌন্দৰ্যক একেলগে সমন্বিত অৱস্থাত চোৱাৰ হেঁপাহ।[২] ব্ৰহ্মা প্ৰজাপতিৰ নিচিনাকৈ কবি প্ৰজাপতিয়েও সেই একেটা হেঁপাহেৰেই সৌন্দৰ্যৰ আৰাধনা কৰা। কবিৰ সৃষ্টিৰ মূলতেও সেই একেটা ইচ্ছা— একস্থসৌন্দৰ্যদৃক্ষা। সৌন্দৰ্যৰ পৰমাৱস্থিতি কবিৰ অন্বেষণৰ বস্তু। সকলো সুন্দৰ বস্তুকে লগ লগাই ইটোৰ পোহৰত সিটোক উজ্জ্বল কৰি বৰ্ণ্যেৰে আনটোৰ বৰ্ণ চৰাই কবিয়ে সৌন্দৰ্যৰ পৰম ৰূপটো উপলব্ধি কৰিব খোজে। প্ৰেয়সীৰ মুখখন যিমান ধুনীয়া নহওক তাত পদুমৰ কোমলতা আৰু জোনৰ কান্তিখিনি সানি লৈ কল্পনা কৰিলেহে কবিৰ সুখ আহে। মুগ্ধা কিশোৰীৰ চকুৰ চাৱনিত বনৰ হৰিণীৰ চকিত দৃষ্টিৰ চঞ্চলতাখিনি একস্থ কৰি নাচালে কিশোৰীনয়নৰ চিত্তাপহাৰী চঞ্চল মধুৰতাখিনি পূৰ্ণভাৱে মানসপটত ধৰা নপৰে। বাৰিষাৰ চপৰা চপৰ গৰ্ভিত মেঘৰ

ঘনকৃষ্ণ বৰণ, তাৰ মসৃণতা আৰু স্নিগ্ধতা গাভৰুৰ কেশদামৰ লগত একাকাৰ কৰি কল্পনা কৰিলে দুয়োটাৰ সৌন্দৰ্যৰ প্ৰকৃত স্বৰূপ হৃদয়ংগম হয়। এই যে 'একস্থসৌন্দৰ্যদিদৃক্ষা' ইয়াৰে ফল হ'ল সাদৃশ্য বা ৰিজনি। ইয়াকে কাব্যসৌন্দৰ্য বিস্তাৰৰ জননী, সকলো অলংকাৰৰ প্ৰাণবস্তু বুলি কব পাৰি।

**উপমাদ্ৰব্য সমুচ্চয় ঃ** সাদৃশ্যমূলক অলংকাৰবোৰৰ চমৎকাৰিত্ব সদৃশ বস্তুৰ লগত ৰিজনিৰ ওপৰতে কেৱল নিৰ্ভৰ নকৰে। সেই ৰিজনিত হৃদয়ত উল্লাস জন্মাব পৰা, কল্পচক্ষুত মনোৰম চিত্ৰ এটা উপস্থাপিত কৰিব পৰা ক্ষমতা থাকিব লাগিব। এঙাৰৰ নিচিনা ক'লা চুলি বুলিলে চুলিৰ ক'লা গুণ ৰিজনি এটা হব, কিন্তু সেই ৰিজনিৰ মনত উল্লাস জন্মাৰ ক্ষমতা ক'ত। তাকে নকৈ, কবিয়ে যেতিয়া নীল যমুনাৰ চঞ্চল তৰংগ মালাৰ লগত প্ৰেয়সীৰ চুলিটাৰৰ সাদৃশ্য দেখে পাঠকৰ চিত্ততো এটা মনোৰম ভাবৰ ঢৌ উঠে। কবিয়ে উন্মেষশালিনী প্ৰতিভাৰ বলত নব নব মনোৰম সাদৃশ্যৰ আৱিষ্কাৰ কৰে। তাৰে কিছুমান উপমাদ্ৰব্য ইমান হৃদয়গ্ৰাহী যে ক্ষণে ক্ষণে নতুন যেন লাগে। পিছলৈ আন কবিয়েও তাক উমৈহতীয়া সম্পত্তিৰ দৰে ব্যৱহাৰ কৰে আৰু কৰিও পুৰণি কৰিব নোৱাৰে। কবি কৰ্মত কুশল প্ৰতিভাশালীজনে সামান্য পাক বা মোচৰ একোটা দি সেইবোৰক নতুন যেন কৰি পেলায়। সেইবোৰৰ কিছুমান সংস্কৃত সাহিত্যৰ যোগেদি আমাৰ বৈষ্ণৱ সাহিত্যলৈকো বাগৰি আহিছিল আৰু আধুনিক কবিতাতো তাৰ আদৰৰ হীনডেঢ়ি ঘটা নাই। প্ৰাচীন কবিসকলৰ সমীক্ষা কিমান গভীৰ আছিল ই তাকেহে প্ৰমাণ কৰে।

বৈচিত্ৰ্যভৰা প্ৰকৃতিৰ দেশ এই ভাৰতবৰ্ষ। এই দেশৰ কবিৰ মনৰ এক্ষাল প্ৰকৃতিয়ে চিৰকাল অধিকাৰ কৰি আহিছে। মানুহ আৰু প্ৰকৃতিৰ মাজত নিবিড় আৰু গূঢ় কাহিনী ভাৰতীয় সাহিত্যৰ এটা চিৰন্তন সামগ্ৰী। মানুহৰ দৈহিক ৰূপসমৃদ্ধিকো উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল প্ৰকৃতিৰ সুন্দৰবস্তুৰে 'একস্থ' কৰি। প্ৰকৃতিৰ প্ৰতি গভীৰ সহানুভূতি আৰু তাৰ লগত ব্যাপক পৰিচয়ৰ ফলত লেখ জোখ নোহোৱা উপমা-দ্ৰব্যই সাহিত্যত ঠাই পাইছিল। একপ্ৰকাৰ কবিপ্ৰয়োগৰ প্ৰৱাহ চলি গৈছিল। এইবিলাক সৌন্দৰ্য বুজিবলৈকো প্ৰকৃতিৰ লগত পৰিচয় দৰ্কাৰ। তিলফুল যি দেখা নাই বা দেখিও তাৰ আকৃতি অৱয়ব ভালকৈ লক্ষ্য কৰি চোৱা নাই, তেওঁ তিলফুল সদৃশ নাকৰ উপমাৰ তাৎপৰ্য কেনেকৈ বুজিব? অৰণ্যত অবাধে বিচৰণ কৰা সিংহক যি দেখা নাই মৃগেন্দ্ৰ গমনৰ তুলনাই আনি দিয়া চিত্ৰটো তেওঁ সহজে বুজিবলৈ টান পাব। মৃণালৰ লগত বাহুৰ সাদৃশ্যৰ যি সৌন্দৰ্য তাক উপলব্ধি কৰিবলৈ হলে মৃণালৰ কোমলতা আৰু আকৃতিৰ

ক্ৰমকৃশতা যিজনে লক্ষ্য কৰিছে, তেওঁহে পাৰিব। নতুনকৈ উঠি অহা শাওনীয়া মেঘৰ ঘনকৃষ্ণ স্তূপৰ সৌন্দৰ্যৰ যিজনে মোল নাপায় তেওঁ মেঘবৰণীয়া চুলিৰ উপমাসৌন্দৰ্য উপলব্ধি কৰিবলৈকো টান পাব। এইবিলাক যিজনে দেখিছে, দেখি মোল পাইছে, অলংকাৰৰ সৌন্দৰ্য হৃদয়ংগম কৰা তেওঁৰ পক্ষেহে সহজ হব। আলংকাৰিকসকলৰ দুই এজনে শিশিক্ষু কবি আৰু কাব্যপ্ৰৱেশেচ্ছুজনৰ সুবিধাৰ্থে এই উপমাদ্ৰব্যসমূহৰ তালিকাও দিছে।[৩] উপমা দ্ৰব্যৰ সীমাসংখ্যা নাই। অলংকাৰৰ উদাহৰণ দি যাওঁতে তাৰ কিছুমানৰ আভাস পাম।

**সাদৃশ্য প্ৰত্যায়ণৰ বিবিধ ভংগী ঃ** সাদৃশ্য প্ৰত্যায়ন কৰাৰ বহুপ্ৰকাৰ ভংগী আছে। এই প্ৰত্যেক ভংগীয়েই একো একোটা সুকীয়া অলংকাৰৰূপে পৰিগণিত হৈছে। মুখ আৰু পদুমৰ সাদৃশ্যটোকে কিমান প্ৰকাৰে উপস্থাপিত কৰিব পাৰি তলত দিয়া উদাহৰণখিনিলৈ লক্ষ্য কৰিলেই বুজা যায় ঃ

১। পদুমৰ নিচিনা মুখ — উপমা
২। পদুমৰ নিচিনা মুখ আৰু মুখৰ নিচিনা পদুম — উপেমেয়োপমা
৩। মুখ মুখৰ নিচিনা, পদুম পদুমৰ নিচিনা — অনন্বয়
৪। পদুম দেখিলে তেওঁৰ মুখখনলৈ মনত পৰে — স্মৰণ
৫। পদুমহে তেওঁৰ মুখৰ নিচিনা — প্ৰতীপ
৬। তেওঁৰ মুখহে পদুম — ৰূপক
৭। এইখন মুখ নে পদুমফুল — সন্দেহ
৮। পদুম বুলি মুখত ভোমোৰা পৰিছে — ভ্ৰান্তিমান
৯। এইখন মুখ নহয় এপাহ পদুমহে — অপহ্নুতি
১০। তেওঁৰ মুখখন যেনিবা পদুম — উৎপ্ৰেক্ষা
১১। এই পাহ পদুম (মুখক লক্ষ্য কৰি) — অতিশয়োক্তি
১২। মুখে হাঁহিবে আৰু পদুমে পাহিবে
পথিকৰ মন হৰণ কৰে — দীপক
১৩। সন্ধিয়াৰ লগে লগে সৰোবৰৰ পদুম আৰু
বিৰহিণীৰ মুখ ম্লান হৈ গ'ল (অৰ্থাৎ সন্ধিয়া
সূৰ্য অস্ত যোৱাত পদুমৰ বিৰহ আৰু বিৰহিণী
নাৰীৰ ৰাতি অহাৰ লগে লগে পতি বিৰহৰ
কথা সুঁৱৰি দুখ লাগিল) — তুল্যযোগিতা

১৪। মুখে উজলায় ৰৰঘৰ, পদুমে পোহৰায় সৰোবৰ — *প্ৰতিবস্তুপমা*

১৫। মুখ দেখি উতলা মন পদুম দেখিলে ভোমোৰৰ গুঞ্জন — *দৃষ্টান্ত*

১৬। তেওঁৰ মুখে পদুমৰ শোভা ধাৰণ কৰিছে — *নিদৰ্শনা*

১৭। তেওঁৰ মুখৰ জোৰ পদুমে নাপায় — *ব্যতিৰেক*

১৮। পদুম পানীৰ মাজত, ভোমোৰা উৰিব পাৰে দেখি ধন্য (দুঃসাধ্যা প্ৰেয়সীক লক্ষ্য কৰি) — *অপ্ৰস্তুতপ্ৰশংস*

১৯। সূৰ্যোদয়ত তেওঁৰ মুখ বিকশিত হওক চাৰি, মোলানহে পৰিল (সূৰ্যোদয়ত পদুম বিকশিত হয়, বিকশিত বিশেষৰদ্বাৰা পদুমৰ লগত সাদৃশ্য) — *সমাসোক্তি*

২০। আকাশত চন্দ্ৰই দেখা দিলে, লগে লগে পদুম আৰু বিৰহিণীৰ মুখ শুকাই গ'ল — *সহোক্তি*

ওপৰত ২০ প্ৰকাৰে পদুম আৰু মুখৰ তুলনা কৰা হ'ল। বিভিন্ন ভংগীৰে কলেও কথা মুঠতে একেটা, পদুম আৰু মুখৰ সাদৃশ্য। হলেও ভংগীৰ বিশেষত্বৰ পৰাই বিভিন্ন নাম পাইছে। সাদৃশ্য যে কেৱল সমতা দেখুৱাইহে প্ৰতিপন্ন কৰিব পাৰি এনে নহয়। কেতিয়াবা ন্যূনতা, কেতিয়াবা আধিক্য দেখুৱাৰ ছলতে; কবিয়ে শেহান্তত গৈ পাকে প্ৰকাৰে সমতাহে দেখুৱায়।[৪] কেতিয়াবা অভেদ যেনেকৈ বৰ্ণোৱা হয়, আকৌ সময়ত ভেদ অভেদ দুয়োটাই সমানভাৱে থাকি যায়। সদৃশতাৰ বিষয় কি? এটা বস্তুৰে সদৃশতা থাকিব নোৱাৰে। দুটা বস্তুৰ মাজতহে সদৃশতাৰ কথা উঠে। দুটা বস্তু হলেও দুয়োটা বস্তু যদি একেজাতীয় হয় আৰু সকলো বিষয়তে একে হয়, তেনেহলে তুলনা কৰাৰ প্ৰশ্নই নুঠে। ৰূপ দুটকা হাতত লৈ এই টকা ৰূপ সেই টকাৰ নিচিনা বুলি কোৱাৰ কোনো সাৰ্থকতা নাই। যেতিয়া দুটা বস্তু কিছুমান বিষয়ত সম্পূৰ্ণ বেলেগ আৰু কিবা বিষয়ত সম তেতিয়াহে সি সদৃশতা বিষয় হয়। গতিকে দুটা পদাৰ্থৰ মাজত যেতিয়া কিবা গুণ, ক্ৰিয়া বা অৱস্থাৰ মিল থাকে, পদাৰ্থ দুটাৰ আন বিষয়ত মিল নাই তেতিয়াহে মিল থকা গুণ ক্ৰিয়াদিৰ ভেটিত তেনে দুটা পদাৰ্থৰ সদৃশতা কল্পনা কৰা হয়। সদৃশতা দেখুৱাবলৈ গলে বস্তু দুটাৰ মাজত ভেদ আৰু অভেদ দুয়োটাই সমানে থাকি

যায়। যি গুণটোৰ কাৰণে সদৃশ সেই গুণটোৰ বিচাৰত দুইটা এক, অভেদ। বাকী কাৰণত বস্তু দুটা বেলেগ, ভেদ। পিছে কবিয়ে সদৃশতাক দৃঢ় আৰু মনোগ্ৰাহী কৰিবৰ কাৰণে তাক সম্পূৰ্ণ ভেদ কৰিও বৰ্ণায়, আকৌ এনে ভংগীৰেও বৰ্ণায় যেন বস্তু দুটা একে, অভেদ। 'পদুমৰ নিচিনা কমনীয় মুখ' এই উপমাত পদুম আৰু মুখৰ ভেদ থাকি গলেও কমনীয় গুণক বিষয় কৰি অভেদ। কিন্তু ব্যতিৰেক অলংকাৰৰ ভংগীত যেতিয়া কোৱা হয়— তেওঁৰ কমনীয় মুখৰ জোৰ বোকাৰ পদুমে নাপায়' তেতিয়া সাদৃশ্য বুজা গ'ল, কিন্তু পদাৰ্থ দুটাৰ ভেদ পুৰাকৈ থাকি গ'ল। আকৌ 'মুখ-পদ্ম' এই ৰূপক অলংকাৰত মুখ আৰু পদ্ম দুয়োটাক এক যেনকৈ দেখুওৱা হ'ল। ইয়াৰ সাদৃশ্য অভেদপ্ৰধান। এইদৰে এক সাদৃশ্য বা উপমাই অভিনেত্ৰীৰ ৰূপ ধৰি কাব্যৰংগশালাত বহুত প্ৰকাৰ ভাও দিয়ে। Æ